সুকীয়া সাৰাংশ

ভেদান্ত লিমিটেড
(কেইৰণ অইল আৰু গেছ বিভাগ)

অসমৰ কৰিমগঞ্জ, হাইলাকান্দি, কাছাৰ জিলা আৰু মিজোৰামৰ কলাশিব জিলাত AA- ONHP-2017/14 খণ্ডৰ ভূ গৰৱীয় তেল আৰু গেছৰ ওপৰত অভিযান আৰু মূল্যাংকণ ।

Aug' 2019

এছ. ভি. এনভাইৰ লেবছ আৰু কনছালটেন্টৰ দ্বাৰা আয়োজিত

বিশাখাপট্টনম
ফোন: ০৮৯১-২৭৫৫৫২৮ ফেক্স: ০৮৯১-২৭৫৫৫২৯
ই-মেইল: svenviro_labs@yahoo.co.in

পৰিবেশ আৰু বন মন্ত্ৰালয়ৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত আৰু কুৱালিটি কাউন্সিল অফ ইণ্ডিয়াৰ দ্বাৰা কৰ্তৃত্ব প্ৰাপ্ত।
চাৰ্টিফিকেট নং: NABET/EIA/1720/RA0097

পৰিচয়

ভাৰত চৰকাৰৰ তৈল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ OALP(Open Acreage Licensing Policy) ৰ অধীনত AA-ONHP-2017/14 হাইড্ৰকাৰ্বণ ব্লক প্ৰকল্পটো ভেদান্ত লিমিটেড (কেইৰণ অইল আৰু গেছ বিভাগ)ক দিয়া হয়। ১অক্টোবৰ ২০১৮ তাৰিখে ভেদান্ত লিমিটেড (কেইৰণ অইল আৰু গেছ বিভাগ) আৰু ভাৰত চৰকাৰৰ তৈল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ মাজত হাইড্ৰকাৰ্বন উদ্ধাৰন আৰু সংগ্ৰহৰ কাৰণে RSC (Revenue Sharing Contract) চুক্তি সাক্ষৰিত হয়। ভেদান্ত লিমিটে (কেইৰণ অইল আৰু গেছ বিভাগ) এ ভূ গৰ্ৰীয় তেল আৰু গেছৰ ওপৰত অভিযান আৰু মূল্যাংকণৰ বাবে AA-ONHP-2017/14 ব্লকৰ অধীনত ২৪ টা তেলৰ পুং আৰু প্ৰাতঃউৎপাদন গোট বা তাৎক্ষণিক উৎপাদন গোট AA-ONHP-2017/14 ব্লকৰ অধীনত স্থাপনৰ কাৰণে প্ৰস্তাৱ দিছিল।

AA-ONHP-2017/14 হাইড্ৰকাৰ্বন ব্লকত এটা EIA (Environmental Impact Assessment) পৰিচালনা কৰিবলৈ এছ. ভি. এনভাইৰ লেবছ আৰু কনছালটেন্ট, এটা NABET-QCI প্ৰত্যায়িত সংস্থাক দায়িত্ব দিয়া হয়। ১০ এপ্ৰিল ২০১৯ তাৰিখে ভেদান্ত লিমিটেডে (Form-1, proposed ToR and PFR) দৰখাস্তখন জমা দিয়ে। পৰিবেশ আৰু বন মন্ত্ৰালয়ে ১৩ মে, ২০১৯ তাৰিখে F.NO.IA-J-11011/148/2019-IA-II(I) প্ৰস্তাবিত প্ৰকল্পটো স্বীকৃতি প্ৰদান কৰে।

ব্লকৰ অৱস্থিতি আৰু যোগাযোগৰব্যৱস্থা

AA-ONHP-2017/14 খণ্ড অসমৰ কৰিমগঞ্জ, হাইলাকান্দি, কাছাৰ জিলা আৰু মিজোৰামৰ কলাশিব জিলাত অৱস্থিত। ই মুঠ ১৭১৯ বৰ্গ কিলোমিটাৰ ঠাই আগুৰা যাৰ ১৭১৬.৫ বৰ্গ কিলোমিটাৰ অসমৰ কৰিমগঞ্জ, হাইলাকান্দি আৰু কাছাৰ জিলাৰ অধীনস্থ আৰু বাকী ২.৫ বৰ্গ কিলোমিটাৰ মিজোৰামৰ কলাশিবৰ অন্তৰ্গত। AA-ONHP-2017/14 খণ্ডৰ প্ৰস্তাৱিত পুং বোৰৰ অৱস্থান SOI Toposheet figure 1 ত দেখুৱা হৈছে।

এই খণ্ডৰৰ বেছিভাগ ঠাই দুটামূল পথেৰে ভ্ৰমণ কৰিব পাৰি, সেই দুটা হল- NH-154 যি বদৰপুৰ হাইলাকান্দিক সংযোগ কৰে আৰু আনটো SH-39 যি কৰিমগঞ্জ-হাইলাকান্দি-শিলচৰ সংযোগ কৰে। বেছিভাগ পুংলৈ কৰিমগঞ্জ-হাইলাকান্দি-শিলচৰ ৰাস্তাৰে যাব পাৰি। খণ্ডটোৰ বাকী অংশৰ লগত সংযোক ৰখাৰ বাবে শিলচৰ ৰেলষ্টেচন হল মূল সংযোগ স্থল। এই খণ্ডৰ সমীপৱৰ্তী বিমানবন্দৰ হল শিলচৰ বিমানবন্দৰ, যাৰ দূৰত্ব খণ্ডৰ পৰা প্ৰায় ২১.৬৮ কিলোমিটাৰ। বৰাইল অভয়াৰণ্যৰ eco sensitive zone ৰ সীমাৰ দূৰত্ব প্ৰস্থৱিত খণ্ডৰ সীমাৰ পৰা ৮.৭৬ কিলোমিটাৰ।



Fig.1: SOI Toppsheet AA-ONHP-2017/14 ব্লকৰ প্ৰস্তাৱিত পুংৰ অৱস্থান।

প্ৰকল্পৰ কামকাজ

পৰৱৰ্তী শাখাবোৰত অভিযানৰ অন্তৰ্গত পুং বোৰৰ খনন কাৰ্যৰ লগত জড়িত বিভিন্ন কামকাজবোৰ বহলাই আলোচনা কৰা হৈছে।

১. স্থান বাচনি

ভোকম্পিক তথ্যবোৰ নিৰীক্ষণ কৰি ভূকম্পিক অনুসন্ধানৰ জৰিয়তে পুং খন্দাৰ সঠিক ঠাই সুনিশ্চিত কৰা হব। ক্ষেত্ৰ অধ্যয়ন কৰি প্ৰস্তাৱিত এলেকাত বসতিপূৰ্ণ আৰু স্পৰ্শকাতৰ অঞ্চলৰপৰা অধিকতম সাম্ভাব্য দূৰত্ব বজাই ৰাখি স্থাননিৰ্ধাৰণ কৰা হব।

২. স্থান প্ৰস্তুতকৰণ

স্থান প্ৰস্ততকৰণে কাম সম্পন্ন কৰিবলৈ ব্যৱহাৰ হোৱা ড্ৰিলিং ৰিগ আৰু ইয়াৰ লগত জড়িত সা-সঁজুলিৰ লগতে যন্ত্ৰপাতি বোৰৰ বাবে প্ৰয়োজনীয় সকলো সুবিধা সাঙুৰি লব। প্ৰাৰম্ভিক স্তৰত খননস্থলীটোত অৱস্থিত গছ গছনিবোৰ যিমান পাৰি কমকৈ চাফা কৰি সমতল ভূমিৰপৰা ২ মিটাৰ ওখ কৰি দিয়া হব। ওপৰৰ কোমল মাটিৰ তৰপভাগ যান্ত্ৰিক পদ্ধতিৰে আতৰাই পৰৱৰ্তী ব্যৱহাৰৰ কাৰণে ওচৰতে ৰাখি দিয়া হব। সমান কৰা যুগুতাই ৰখাৰ বাবে যান্ত্ৰিক ৰুলাৰ আৰু গ্ৰেডাৰচ ব্যৱহাৰ কৰা হব। স্থান প্ৰস্তুত কৰাৰ বাবে মাটি পুৰোৱা সামগ্ৰী আৰু খহটা শিল বা ইটাৰ টুকুৰা প্ৰয়োজন হব।

৩. খনন কাৰ্য্য

প্ৰস্তাৱিত খনন কাৰ্য্য সম্পন্ন কৰিবলৈ উচ্চমানদণ্ডৰ লেণ্ড ৰিগ বা ৱাটাৰ বেছড ফ্লুইড ট্ৰিটমেণ্ট চিষ্টেম "মোবাইল লেণ্ড ৰিগ" ব্যৱহাৰ কৰা হব। প্ৰকল্পৰ পৰিকল্পনা অনুযায়ী আশা কৰা ৫০০০ মিটাৰ (TVDSS) গভীৰ খননকাৰ্যৰ বাবে এই ৰিগটো সুবিধাজনক বা যোগ্য হব। তাৰ উপৰিও কিছু আনুসংগিক সুবিধা যেনে ড্ৰিলিং মাড চিষ্টেম, ETP, কাটিং ডিছপজেল, ড্ৰিল চমেনটিং আহিলা আদি আৰু খনন কাৰ্যৰ বাবে ব্যৱহাৰ্য সেৱা যেনে বিদ্যুৎ, পানী, ইন্ধন অদিও প্ৰকল্পৰ অংশ হিচাপে মজুত ৰখা হব। ড্ৰিলিংৰ বাবে প্ৰয়োজনীয় পানী আৰু ব্যৱহৃত পানী খননস্থলীত HDPE লাইনিং পিটত জমা কৰি ৰখা হব।

৪. কুঁৱাৰ পৰীক্ষণ আৰু ফ্লাৰিং

অভিযান কালছোৱাত আৰু অপ্ৰাইজেল ড্ৰিলিংৰ সময়ত যত হাইড্ৰকাৰ্বনৰ গঠনৰ সন্তেদ পোৱা ঠাইত প্ৰবাহ হাৰ, গঠনৰ চাপ আৰু অন্যান্য প্ৰচলৰ থিতাপি লবলৈ প্ৰাথমিক পুং পৰীক্ষণ (সাধাৰণতে এমাহ) চলোৱা হব। যিকি নহওক, প্ৰয়োজন সাপেক্ষে পুংটোৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ

কৰি পুংটো দীৰ্ঘদিনৰ বাবে পৰীক্ষা কৰি প্ৰচল বোৰ নিৰ্ণয় কৰা হব। যদি পুংটোত হাইড্ৰকাৰ্বন পোৱা যায় তেন্তে তাৰ আয়তন আৰু গুণাগুণ পৰীক্ষা কৰা হব।

<u>আনুসংগিক সুবিধাসমূহ-</u> প্ৰত্যেকটো খননস্থলীত ড্ৰিলিং ৰিগ ফাউণ্ডেশ্যন, চেলাৰ পিট, পেলনীয়া সামগ্ৰী আৰু পানী সঞ্চয় কৰা ঠাই, ৰাসায়নিক দ্ৰব্য সঞ্চয় কৰাৰ ব্যৱস্থাৰ লগতে ইন্ধন সঞ্চয় কৰাৰ ব্যৱস্থা, ড্ৰিল কাটিং ডিচপজেল পিট, ফ্লেয়াৰ পিট আৰু মডুলাৰ/ মোবাইল STPs, মোবাইল ETP আদি থাকিব। HDPE লাইনিংৰ জৰিয়তে ড্ৰিল কাটিং আৰু স্পেনট মাড সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হব। পৰ্যাপ্ত পৰিমাণৰ নলাৰো ব্যৱস্থা কৰা হব।

<u>লিকুইড মাড প্লেণ্ট-</u> ড্ৰিলিংৰ কাৰ্যৰ বাবে প্ৰয়োজন হব পৰা লিকুইড মাড প্ৰস্তুত কৰণৰ বাবে সুবিধাজনক ঠাইত লিকুইড মাড প্লেণ্ট স্থাপন কৰা হব।

<u>হাইড্ৰলিক ফ্ৰেকচাৰিং-</u> নিম্ন পাৰ্মিএবল গঠন আৰু নিম্নচাপ থকা পুংবোৰত হাইড্ৰলিক ফ্ৰেকিং কৰা হব পাৰে। ফ্ৰেকচাৰিং ফ্লুইড হিচাপে ৯৯% পানী আৰু বালি আৰু প্ৰায় ১% জিলেড ৰাসায়নিক দ্ৰব্য অধিক হাৰত (২০ bpm ৰ ওপৰত) আৰু উচ্চ চাপত(৫০০০ psi লৈকে) ড্ৰিলিংত গঠন ভাঙিবলৈ আৰু পুংটোৰ ডেলিভাৰেবিলিটিৰ উন্নীতকৰণৰ বাবে ব্যৱহাৰ কৰা হব। যিবোৰ পুংত দুটা বা ততোধিক ফ্ৰেক কৰা হব তাত সুচাৰুৰূপে কাম চলাই যাবলৈ অধিক পানীৰ ব্যৱস্থা ৰখা হব।

৫. সম্পাদিত খননকাৰ্য্য

কামকাজ শেষ হোৱাৰ পিছত পুংবোৰত হয়তো সোপা দি ৰখা হব আৰু নিলম্বিত কৰা হব বা বন্ধ কৰি দিয়া হব আৰু চিৰস্থায়ী ভাবে পৰিত্যক্ত কৰি দিয়া হব। যদি এটা পুং নিলম্বন কৰাৰ সিদ্ধান্ত লোৱা হয় সেই ক্ষেত্ৰত ইয়াক বন্ধ কৰাৰ সময়ত ব্ৰাইন ছলিউচন আৰু পুংটো সুৰক্ষা দিবৰ বাবে কম পৰিমানে ইনহেবিটৰছেৰে পুৰাইদিয়া হব। পুংবোৰ চমেণ্টৰ সোপাৰে বন্ধ কৰি দিয়া হব আৰু মাটিৰ ওপৰত পুংটোৰ মুখত কিছু সঁজুলি এৰি দিয়া হব। যদি পুংটো পৰিত্যক্ত হয় তেন্তে ইয়াক কেবাটাও চমেণ্টৰ সোপাৰে বন্ধ কৰা হব আৰু পুংৰ মুখৰ সকলো সঁজুলি আতৰাই ইয়াক চাফা কৰি ঠাইডোখৰ আগৰ অৱস্থালৈ লৈ যোৱা হব।

<u>অনুসন্ধান-</u> যেতিয়া খনন অভিযান সফল হব তেতিয়া ক্ষেত্ৰখনৰ আকাৰ আৰু আয়তন নিৰ্ণয় কৰিবলৈ বহুতো পুং (অনুসন্ধান পুং) খন্দা হব। অনুসন্ধান পুং খন্দাৰ কাৰিকৰী প্ৰক্ৰিয়া আৰু কামকাজ অভিযানৰ সময়ত খন্দা পুংৰ দৰে একে হব। মূল উদ্ধাৰিত পুংৰ পৰা নিকটৱৰ্তী কোনো পতিত বা অভিমুখী পুংক স্থলটোৰ আন ঠাইৰ অনুসন্ধানৰ বাবে ব্যৱহাৰ কৰা হব।

<u>প্ৰাতঃ উৎপাদন গোট বা তাৎক্ষণিক উৎপাদন গোট-</u> বাণিজ্যিক পৰ্যায়ৰ হাইড্ৰকাৰ্বনৰ আবিষ্কাৰ হলে তাত উৎপাদিত পুংৰ জুলীয়া দ্ৰব্য নিষ্কাশনৰ বাবে প্ৰাতঃ উৎপাদন গোট/তাৎক্ষণিক উৎপাদন গোট সক্ৰিয় কৰা হব আৰু ৮০০০ BOPD গেদীঅ তেল আৰু ১.৬ MMSCFD পৰ্যন্ত প্ৰাকৃতিক গেছ আহৰণ কৰা হব। তাৎক্ষণিক উৎপাদন গোট হব পেকেজড/ মডুলাৰ মোবাইল গোট আৰু ই মূলতে তিনি স্তৰীয় বিয়োজক আৰু প্ৰডাকচন হিটাৰ বা হিটাৰ-ট্ৰিটাৰ, তেল সংৰক্ষণ কৰা টেঙ্ক, অইল টেঙ্ক লডিং চিষ্টেম, উৎপাদিত পানী নিষ্কাশন আৰু ডিচপজেল চিষ্টেম, শক্তি উৎপাদক

(GEG বা DG), ব্য্ৰহাৰূপযোগী ব্যবস্থা যেনে ৰন্ধন গেছ,ফ্লাৰ। এয়াৰ পেকেজেছ, অগ্নিনিৰ্বাপন ব্যৱস্থা আদি। প্ৰত্যেকটো তাৎক্ষণিক উৎপাদন গোটৰ ক্ষমতা থাকিব ~২০০০ BFPD (Barrels of Fluid per Day)

<u>কেম্প ছাইট-</u> অভিযান্ত্ৰিক পুং আৰু অনুসন্ধান পুংৰ খনন কাৰ্যৰ বাবে অস্থায়ী কেম্প ছাইটৰ (পৰটা কেবিন) অনুধাৱন কৰা কৰা হৈছে, যিবোৰ পুং খন্দাৰ পিছত খুলি পেলোৱা হব। আশা কৰা যায় যে, যিকোনো সময়ত প্ৰতি শ্বিফ্টত প্ৰায় ৫০ জন পুং খন্দাত জড়িত মানুহ ইয়াত থাকিব পাৰিব।

৬. তেলৰ পুং বন্ধ কৰাৰ পদ্ধতি

আগতে কোৱাৰ দৰে খনন কাৰ্য্য সম্পন্ন হোৱাৰ পাছত পুংবোৰ নিৰীক্ষণ কৰা হব। যদি পৰ্যাপ্ত পৰিমানে হাইড্ৰকাৰ্বন পোৱা নাযায় তেন্তে লাহে লাহে তাত থকা যান্ত্ৰিক সঁজুলিবোৰৰ লগতে থকা ঠাই আদিবোৰ আতৰাই নিয়া হব আৰু ঠাইডোখৰ পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তোলা হব।

প্ৰকল্পৰ প্ৰয়োজনীয় সামগ্ৰী আৰু প্ৰয়োজনীয় সম্পদ

প্ৰয়োজনীয় মাটি

অভিযান্ত্ৰিক পুং আৰু অনুসন্ধান পুংৰ বাবে ৱেল পেড (ড্ৰিল ছাইট) নিৰ্মাণৰ বাবে প্ৰায় ৩০০মিঃX৩০০ মিঃ ঠাই অস্থায়ী ভাবে কম দিনৰ বাবে ভাৰাত লোৱা হব। ৱেল পেডৰ লগত সংযোগ ৰাখিবলৈ আৰু ভৱিষ্যতে সামগ্ৰী অনা নিয়া কৰিবলৈ সুবিধাজনক পথ নিৰ্মাণৰ বাবে ৩০মিঃ (প্ৰায়) ঠাই ব্যৱহাৰৰ অধিকাৰ থাকিব লাগিব।

পুং খন্দাৰ বাবে প্ৰয়োজনীয় বিদ্যুতৰ ব্যৱস্থা

ড্ৰিলিং ছাইট আৰু কেম্প ছাইটত প্ৰয়োজনীয় বিদ্যুৎ ডিজেল চালিত জেনেৰেটৰৰ জৰিয়তে যোগান ধৰা হব। দুটাকৈ ২ x ৩৫০ KVA জেনেৰেটৰ থকা ঠাইত ব্যৱহাৰ কৰা হব। তিনিতকৈ ৩ x ১০০০ KVA বা ২ x ১৮৫০kVA ড্ৰিলিংৰ কামত ব্যৱহাৰ কৰা হব আৰু দুটা ২ x ১০০ KVA জেনেৰেটৰ ৰেডিও ৰুমত ব্যৱহাৰ কৰা হব।

*অভিযান্ত্ৰিক আৰু অনুসন্ধানী পুং আৰু ৰিগৰ ক্ষমতা আৰু ৰিগৰ উপলভ্যতাৰ ওপৰত নিৰ্ভৰ কৰি।

প্ৰাতঃ উৎপাদনত ব্যৱহৃত বিদ্যুৎ

প্ৰাতঃ উত্পাদন গোটত এটা ১ MW বিদ্যুৎ যোগান ধৰিব পৰা গেছ ইঞ্জিন জেনেৰেটৰ এটা থাকিব আৰু এটা ৫০০ KVA ডিজেল জেনেৰেটৰ থাকিব।

অভিযান্ত্ৰিক পুং আৰু অনুসন্ধান পুং খননৰ সময়ত পায়োজনীয় পানী

খনন কাৰ্যত পানীৰ প্ৰয়োজনীয়তা ধোৱা-মেলা আৰু ঘৰুৱা ব্যৱহাৰৰ উপৰিও মূলতে ড্ৰিলিং মাডৰ প্ৰস্তুতকৰণৰ কথা কোৱা হৈছে। ড্ৰিলিং কাৰ্যত যথেষ্ট পানীৰ প্ৰয়োজন আনহাতে ঘৰুৱা কামকাজত পানীৰ ব্যৱহাৰ অতি নগন্য। ৱাটাৰ বেইজড ড্ৰিলিং মাড প্ৰস্তুতকৰণত প্ৰয়োজনীয় পানীৰ পৰিমাণ ৬০০-১০০০মিঃ কিউব/ পুং আৰু ছিনথেটিক বেইজড মাড প্ৰস্তুতকৰণত ১৫০-৩০০ মিঃ কিউব পানীৰ প্ৰয়োজন। ঘৰুৱা কামকাজ যেনে যন্ত্ৰপাতি, ফ্লাৰিং, ধোৱা-মেলা, অগ্নি নিৰ্বাপনৰ বাবে সঞ্চিত পানী আদিত প্ৰয়োজনীয় পানীৰ পৰিমাণ ২০-৩০ মিঃ কিউব প্ৰতিদিন। খনন ক্ষেত্ৰত নিৰ্মান কাৰ্য আৰু খনন কাৰ্য্য চলিত কালত প্ৰয়োজনীয় পানী ভূপৃষ্ঠৰ ওপৰৰ ভাগৰ অনুমতিপ্ৰাপ্ত স্থানীয় উৎস বা যোগানকাৰীৰ পৰা সংগ্ৰহ কৰা হব আৰু ETPত ব্যৱহৃত পানী কিছুপৰিমানে পুনৰব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰা হব।

প্ৰাতঃ উৎপাদনত পানীৰ প্ৰয়োজনীয়তা

প্ৰাতঃ উৎপাদন কালত প্ৰতিদিনে ১৫-১৮ মিঃ কিউব পানীৰ প্ৰয়োজন হব।

শ্ৰমশক্তি

খনন কাৰ্য্যত প্ৰয়োজন হোৱা অধিকাংশ শ্ৰমিক স্থানীয় অঞ্চলৰ পৰা লোৱা হয়। প্ৰতেক খনন কাৰ্য্যৰ স্থানত 30-35 জন শ্ৰমিকৰ প্ৰয়োজন হয়। ড্ৰিলিং কাৰ্যৰ সময়ত খনন স্থলীত প্ৰতি শ্বিফ্টত প্ৰায় ৫০ জনকৈ মানুহ কাম কৰি থাকিব। ইয়াৰ ভিতৰত কিছু কাৰিকৰী বিশেহজ্ঞ থাকিব যিসকলৰ ওপৰত ড্ৰিলিং সংক্ৰান্তীয় বিভিন্ন কামকাজৰ দায়িত্ব থাকিব আৰু কিছু কাৰিকৰী শ্ৰমিক থাকিব। যি কোনো সময়তে আনুমানিক ৮০ ৰ পৰা ১০০ জন কৰ্মী খনন স্থলীত থাকিব, তাত থাকিব কাৰিকৰী পাৰদৰ্শী ব্যক্তি, ড্ৰিলিং গোট, ছিকিউৰিটি গাৰ্ড আদি।

বুনিয়াদী পাৰিপাৰ্শ্বিক অৱস্থা

বুনিয়াদী পাৰিপাৰ্শ্বিক অৱস্থাৰ অধ্যয়নে সংকটাপন্ন বৈশিষ্ট সমূহৰ লগতে পৰিবেশিক অৱস্থাৰ বুজ লোৱাত যথেষ্ট সহায় কৰিব। পাৰিপাৰ্শ্বিক স্থিতি বুলিলে ব্লকৰ লগতে ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ অঞ্চলৰ ভৌতিক, জৈৱিক আৰু অৰ্থ সামাজিক পৰিস্থিতিক সাঙুৰি লব। ই.আই.এ. অধ্যয়নৰ বাবে প্ৰাথমিক আৰু আনুসংগিক তৈথ্য গোটোৱা হৈছে।

ভৌতিক পৰিবেশ

জলবায়ু আৰু বতৰ বিজ্ঞান

কোপেনৰ জলবায়ু বাখ্যা অনুসৰি গৱেষণাৰ অঞ্চলটি ক্ৰান্তীয় অঞ্চল হিচাপে চিনাক্তকৰণ কৰিব পাৰি। শীত আৰু গ্ৰীষ্ম কালৰ প্ৰথম ভাগ দীঘলীয়া আৰু খৰালীয়া। গ্ৰীষ্মকাল অতিপাত উষ্ম যাৰ ফলত গৰম বতাহ বলে। বাৰিষা জুনৰ পৰা ছেপ্টেম্বৰ মাহলৈকে থাকে। বতাহৰ বেগ অৱশ্যে গ্ৰীষ্মকালত বেছি হয় আৰু ইয়াৰ বেগ প্ৰায় ১.০-২.৪ মিঃ/ চেকেণ্ডৰ ভিতৰত হয়। বাৰিষাত শীতৰ

তুলনাত বতাহৰ বেগ বেছি হয়। বছৰৰ বেছিভাগ সময়তে বতাহৰ দিশ উত্তৰ পূব আৰু পূব দিশত থাকে।

বায়ুৰ মানদণ্ড

মাৰ্চ ২০১৯ ৰ পৰা জুন ২০১৯ লৈ ১৮ টা পৃথক অৱস্থানত ২৪ ঘণ্টা ধৰি সপ্তাহত দুবাৰকৈ সাধাৰণ বায়ুৰ মানদণ্ড PM10, PM2.5, Sulfar Dioxide, Nitrogen Oxide, Carbon Monoxide ভিত্তিত পৰিবেক্ষণ কৰা হয়। বাষ্পশীল জৈৱিক যৌগ, Volatile Organic Carbons, Methane, non-mithane hydrocarbons, Ozone, Ammonia, Lead, benzene, benzo(a)payrene, Arsenic, Nickel আদিৰএকে সময় সীমাৰ ভিতৰতে পৰিবেক্ষণ কৰা হয়। সকলো প্ৰাচলেই NAAQS ২০০৯ ৰ নিৰ্ধাৰিত নিম্নতম সীমাতকৈ কম দেখা যায়। PM10 ৰ ২৪ ঘণ্টাৰ গড় ৩০.৪-৭৩.১ নেনগ্ৰাম/ মিটাৰ কিউব, PM2.5 ৰ ২৪ ঘণ্টাৰ গড় ৯.৯-৪২.২ নেনগ্ৰাম/ মিটাৰ কিউব। একেইভাৱে Sulfar Dioxide ৰ ২৪ ঘণ্টাৰ গড় ৬.১-১৩.১ নেনগ্ৰাম/ মিটাৰ কিউব। Niyrogen Oxide ৰ ২৪ ঘণ্টাৰ গড় ৬.৮-১৪.৮ নেনগ্ৰাম/ মিটাৰ কিউব। Lead, Benzene, Benzo(a)pyrene, Arsenic, Nickel, HC, VOC আদি সকলোবোৰ নিৰ্ধাৰিত সিমাৰেখাৰ (BDL) ভিতৰত পোৱা যায়।

শব্দৰ মানদণ্ড

শব্দৰ মানদণ্ড ড্ৰিল ছাইটৰ ১৮ টা পৃথক অৱস্থানত পৰীক্ষণ কৰা হয়। সকলো অঞ্চলতে শব্দ প্ৰদূষণ ২০০০ ৰ অধীনত বসতি অঞ্চলৰ বাবে নিৰ্ধাৰিত কৰা সাধাৰণ শব্দৰ মানদণ্ডৰ ভিতৰতে পোৱাযায়। দিনত শব্দৰ সীমা সাধাৰণতে 49.0-62. 3 dBA ৰ ভিতৰত হয় আৰু ৰাতিৰ শব্দৰ সীমা 31.4- 47 dBAৰ ভিতৰত পোৱা যায়।

ভূ- তাত্ত্ব

ভূ তাত্ত্বিক ভাৱে স্হান সমূহ দুটা মুখ্য ভাগত বিভক্ত কৰা হয় - unconsolidated deposits আৰু semi-consolidated । unconsolidated deposits সমুহ Sub-recent ৰ পৰা recent যুগৰ alluvial deposits ৰে ভৰা আৰু semi-consolidated সমূহ Bhaban, Bokabil, Girujan/ Tipam, Dupitila আৰু Dihing ৰ Tertiary deposit Miocene ৰ পৰা Pliocene যুগৰ। কেন্দ্ৰিক alluvial deposits সমূহ প্ৰমুখ্য ভাবে বালি, পলশ, বোকা, শিলেৰে গঠিত আৰু নৈমিত্তিক ভাবে পোৱাল পোৱা যায়। semi-consolidated শিল সমূহ shale, sandstone, ferruginous sandstone, motte clay, pebble bed আৰু boulder beds ৰে গঠিত পাহাৰ হিচাপে পোৱা যায়।

জলীয় ভূতত্ত্ব

জলীয় ভূতত্ত্বিক বিন্যাস সমূহ হল এলুভিয়াল, দুপিটিলা আৰু টিপাম। প্ৰমুখ্য নৈৰ বালিচৰ সমূহত এলুভিয়েল বিন্যাস সমূহ ১০ৰ পৰা ১৫ মিটাৰ গভীৰতাত পোৱা যায়। কৰিমগঞ্জ উপত্যকাত ২৬০ মিটাৰ গভীৰতাত ৬ টা প্ৰমুখ্য পানী পাৰহৈ যাবপৰা শিলৰ তৰপ পোৱাযায়। পঞ্জীভূত ভাবে এনে তৰপৰ বেধ ২০০ মিটাৰ পৰ্যন্ত হয়। এনে তৰপসমূহ সামান্য ভেদ তত্বত সমগ্ৰ উপত্যকাতে পোৱা যায়। বাৰিষাৰ প্ৰাক ক্ষণত phreatic aquifer সমূহ ০.৩৫ ৰ পৰা ২.৮০ m bgl হয় আৰু বাৰিষাৰ পিছত ০.১৯ ৰ পৰা ৩.৮৮ m bgl লৈকে হয়। হাইলাকান্দি জিলাত ভূ-গৰৱীয় জল অপৰিসীমিত ৰূপত এলুভিয়েল বিন্যাসত পোৱাযায়। দুপিটিলা

আৰু টিপাম বিন্যাসৰ ভূ-গৰ্ৱ্ৰীয় জল অপৰিসীমিত, সীমিত আৰু পৰিসীমিত অৱস্থাত পোৱা যায়। কাছাৰ জিলাত ভূ-গৰ্ৱ্ৰীয় জল ফ্ৰেটিক ৰূপত শ্বেল্ একুইফায়াৰ আৰু সীমিত ৰূপত ডিপ একুইফায়াৰত পোৱা যায়। ভূ-গৰ্ৱ্ৰীয় জলৰ প্ৰবাহৰ দিশ জিলাখনৰ উত্তৰ ভাগত উত্তৰৰ পৰা দক্ষিণলৈ আৰু দক্ষিণ ভাগত দক্ষিণৰ পৰা উত্তৰলৈ হয়। বাৰিষাৰ আগত পানীৰ স্তৰ ১.০৫ m bgl আৰু বাৰিষাৰ পিছত পানীৰ স্তৰ ১.৬২ m bgl হয়।

ভূ-গৰ্ৱ্ৰীয় পানীৰ গুণাগুণ

IS:10500:2012 অনুযায়ী অঞ্চলটোৰ মুঠ ১৮ টা ঠাইৰ পৰা পানী সংগ্ৰহ কৰি পৰীক্ষা কৰা হয়। TDS, ক্লৰাইড আৰু পানীৰ গাঢ়তাৰ বাহিৰে বাকী সকলো উপাদানেই IS:105000:2012 ত দিয়া সীমাৰেখাৰ ভিতৰত পোৱা যায়।নিৰ্ধাৰিত গভীৰতাৰ তলত কিছু গধুৰ ধাতুও পোৱা গৈছে।

ভূ-প্ৰিষ্টিয় পানীৰ গুণাগুণ

ভূ- প্ৰিষ্টীয় পানী ১৮ ঠাইৰ পৰা সংগ্ৰহ কৰি IS:2296 ৰ অধীনত পানীখিনি পৰীক্ষা কৰা হৈছে। পানীখিনিৰ PH মাত্ৰা ৪.১ ৰ পৰা ৬.৬ ৰ ভিতৰত আছে। প্ৰত্যেক ঠাইৰ পানীত DO মাত্ৰা ৪.২ ৰ পৰা ৭.৩ মিলিগ্ৰাম/ লিটাৰৰ ভিতৰত দৰ্শাইছে। ক্লৰাইড আৰু নাইট্ৰেড যুক্ত আকৰ ৬.৮ ৰ পৰা ৯.৯ মিলিগ্ৰাম/লিটাৰ আৰু ০.১৩ ৰ পৰা ০.৩৬ মিলিগ্ৰাম/ লিটাৰ দেখা গৈছে। সংগ্ৰহীত পানীত কলিফৰ্মৰ মাত্ৰা ৩৮০ MPN/ ১০০ মিলিলিটাৰৰ পৰা ৫৬০MPN/ ১০০ মিলিলিটাৰ। যদিও পানীৰ মানদণ্ডটো CPCB য়ে নিৰ্ধাৰণ কৰিদিয়া মানদণ্ডৰ ভিতৰত নপৰে তথাপিও ক্ষেত্ৰ অধ্যয়নৰ সময়ত দেখা গৈছে যে এই পানী খেতিবাতি কৰা , গা-ধোৱা, কাপোৰ কানি ধোৱা, মাছ ধৰা আদিবোৰ কামত ব্যৱহৃত হৈ আছে।

মাটিৰ ব্যৱহাৰ

প্ৰকল্পৰ নিৰ্ধাৰিত অঞ্চলৰ বেছিভাগ ঠাই (৪৮%) মুকলি ঘাঁহনি পথাৰ। ২৯% মাটি কৃষিকাৰ্যত ব্যৱহাৰ কৰা হয়। ৬% মাটি পানীয়ে আগুৰি আছে। ৬% মাটি ৰাস্তাই আগুৰি আছে আৰু ৬% ৰেল লাইনে আগুৰি আছে। আনহাতে মাত্ৰ ৫% অঞ্চলতহে নিৰ্মান কাৰ্য সম্পাদিত হৈ আছে।

মাটিৰ গুণাগুণ

অঞ্চলটোৰ মাটি ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাটিৰ সৈতে প্ৰায় একে। অঞ্চলটো দ আৰু ঘাঁহনিৰে ভৰপূৰ আৰু ইয়াৰ মাটিত যথেষ্ট পৰিমাণৰ জৈৱিক পদাৰ্থ আছে। এই অঞ্চলৰ মাটি বৰ সাৰুৱা। প্ৰথমিক ক্ষেত্ৰ অধ্যয়নৰ সময়ত ১৮ ঠাইৰ পৰা সংগ্ৰহ কৰা মাটিৰ পৰা গম পোৱা যায় যে এই মাটি বোকাময় আৰু আম্লিক গুণসম্পন্ন আৰু যথেষ্ট নাইট্ৰজেন যুক্ত। এই মাটিত কোনো অন্য ধাতুৰ সম্ভেদ পোৱা নাই।

প্ৰাকৃতিক প্ৰতিবন্ধকতা

BIS (Bureau of Indian Standard)২০০০ এ নিৰ্ধাৰণ কৰি দিয়া শ্ৰেণীবোৰৰ ভিতৰত এই অঞ্চলটো V নং ত পৰে যত ডাঙৰ ভূমিকম্পৰ সম্ভাৱনা আছে। নেচনেল ৰিমোট চেংছিং এজেন্সি এ প্ৰস্থৃত

কৰি উলিওৱা ফ্লাড হেজাৰড মেপ (১৯৯৮-২০০৭) ৰ মতে এই অঞ্চলটোত বানপানীৰ সম্ভৱনা অত্যাধিক বুলি চিহ্নিত কৰা হৈছে কিন্তু বেছিসংখ্যক কুঁৱা বানপানীয়ে ঢুকিনোপোৱা ঠাইত খন্দাৰ ব্যৱস্থা কৰা হৈছে।

জৈৱিক বাতাবৰণ

প্ৰাথমিক ক্ষেত্ৰ অধ্যয়ন, বনবিভাগৰ ৱেবছাইটত পোৱা তৈথ্য আৰু কিছু প্ৰকাশিত আৰু কিছু অপ্ৰকাশিত তৈথ্যৰ পৰা জনা যায় যে এই অঞ্চলটো কটাখাল সংৰক্ষিত বনাঞ্চল আৰু সীমামূৰীয়া সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত। কিন্তু প্ৰস্তাৱিত কুঁৱাবোৰ সংৰক্ষিত বনাঞ্চলৰ ভিতৰত নপৰে। প্ৰস্তাৱিত ঠাইডোখৰ পাহাৰ, টিলা, মুকলি পথাৰ আৰু বিল আদিৰে আগুৱা। এই অঞ্চলৰ বনাঞ্চলবোৰ চিৰসেউজীয়া আৰু পৰ্ণপাতী উদ্ভিদেৰে ভৰপূৰ কিন্তু চাহ উদ্যোগ আৰু ৰবৰ খেতিৰ উন্নতিয়ে ইয়াৰ বনাঞ্চলৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে।

ট্ৰেফিক জৰীপ

২৪ ঘণ্টাৰ ভিতৰত প্ৰতি ঘণ্টাত কিমান জানবাহন চলাচল কৰে তাকে চাবলৈ বদৰপুৰ আৰু হাইলাকান্দি সংযোগী NH-১৫৪, শিলচৰ কৰিমগঞ্জ সংযোগী NH- ৫৩, কৰিমগঞ্জ হাইলাকান্দি শিলচৰ সংযোগী SH-৩৯ ৰাস্তাবোৰৰ মুঠ ছটা ঠাইত ক্ৰমে শ্ৰীকণা(NH-৫৩), দুৱাৰবন্দ(SH-৩৯), হাইলাকান্দি (NH-১৫৪), লালাপুৰ (NH-১৫৪), চন্দ্ৰপুৰ (SH-৩৯) আৰু ৰামকৃষ্ণনগৰত জনবাহণবোৰ নিৰীক্ষণ কৰা হয়। যানবাহনৰ চলাচল নিম্নতম ৰখা হব আৰু মাথো মানৱ সম্পদ তথা দৈনন্দিন ব্যৱহৃত সামগ্ৰী অনানিয়াৰ বাবে ব্যৱহাৰ কৰা হব। সাম্প্ৰদায়িক সুৰক্ষা তথা স্বাস্থ্যত পৰিব পৰা সাম্ভাব্য কবলক নেউচিবলৈ ভেদান্ত লিমিটেডডে যাতায়ত সুৰক্ষা তথা ট্ৰেফিক মানজমেণ্ট পৰিকল্পনা গ্ৰহণ কৰি কাৰ্যকৰী কৰিব।

অৰ্থ-সামাজিক পৰিবেশ

ক্ষেত্ৰ অধ্যয়ন, ব্যক্তিগত সাক্ষাৎকাৰ, দলগত আলোচনা আদিৰ পৰা অৰ্থসামাজিক ব্যৱস্থাৰ এটা উমান পোৱা গৈছে। ক্ষেত্ৰ অধ্যয়নৰ সময়ত ১১৫ জন অংশগ্ৰহণকাৰী উপস্থিত আছিল যিসকলৰ পৰা প্ৰকল্পটোৰ বিষয়ে তেওঁলোকৰ ধাৰণা কি তাৰো উমান পোৱা গৈছে। সাধাৰণ কথাবতৰাৰ মাজেৰেও স্থানীয় জনগোষ্ঠী, শিক্ষক, HPC কেন্দ্ৰ আৰু অংগণবাদী কৰ্মীৰ পৰাও তৈথ্য সংগ্ৰহ কৰা হয়।

কাছাৰ জিলাখন দুটা মহকুমাত বিভক্ত শিলচৰ আৰু লক্ষীপুৰ। আকৌ প্ৰত্যেকটো মহকুমা ৰাজহ চক্ৰত বিভক্ত আৰু ৰাজহ চক্ৰবোৰ মৌজাত বিভক্ত আৰু মৌজাবোৰ ৰেভিনিউ ভিলেজত বিভক্ত। জিলাখনত মুঠ ৫ টা ৰাজহ চক্ৰ আছে। সেইবোৰ হল কাটিগৰা, শিলচৰ, উদাৰবন্দ, লক্ষীপুৰ আৰু সুনাই যত মুঠ ১০৪০ খন গাঁও আছে।

কৰিমগঞ্জত মুঠ ৭ টা নগৰ আছে। জিলাখনত মুঠ ৯৩৬ খন গাঁও আছে আৰু ৭ টা কমিউনিটি ডেভলপমেণ্ট ব্লক আছে। জিলাখনত মুঠ ৫ টা ৰাজহচক্ৰ আছে। সেইবোৰ হল কৰিমগঞ্জ, বদৰপুৰ, নিলামবজাৰ, পাতাৰকান্দি আৰু ৰামকৃষ্ণনগৰ। জিলাখনত মুঠ ৭ খন থানা আছে

সেইবোৰ হল কৰিমগঞ্জ, বদৰপুৰ, পতাৰকান্দি, নিলামবজাৰ, ৰামকৃষ্ণনগৰ, ৰাতাবাৰী আৰু বাজাৰীচেৰা।

হাইলাকান্দি জিলা বৰাকউ পত্যকাত অৱস্থিত। ইয়াত ৪ টা ৰাজহচক্ৰ আৰু ৩৩১ খন গাঁও আছে। ইয়াত ৫ টা কমিউনিটি ডেভলপমেণ্ট ব্লক আছে। জিলাখনত ৩ টা নগৰ আছে।

২০১১ চনৰ লোকপিল মতে কাছাৰত শিক্ষাৰ গড় হাৰ ৭৯.৩৪, হাইলাকান্দিত গড় হাৰ ৭৪.৩ আৰু কৰিমগঞ্জত ৭৮.২২।

পৰিবেশৰ ওপৰত প্ৰভাৱৰ মূল্যাংকণ আৰু প্ৰসমন ব্যৱস্থা

পৰিবেশৰ বিভিন্ন উপাদানৰ ওপৰত প্ৰকল্পটোৰ সাম্ভাব্য প্ৰভাৱবোৰ পদ্ধতিগতভাবে চিহ্নিত কৰি গুৰুত্ব সহকাৰে মূল্যায়ন কৰা হয়। ইয়াৰ পৰা পোৱা মূল কথাবোৰ হল-

বায়ুৰ ওপৰত প্ৰভাৱ

পুংৰ আশেপাশে বায়ুত প্ৰদূষক নিষ্কাষিত কৰিবপৰা সাম্ভাব্য উৎসসমূহ হৈছে:

*যান-বাহন আৰু যন্ত্ৰপাতি

*নিৰ্মান সামগ্ৰী অনা নিয়া, জমা ৰখা আৰু এইবোৰৰ ব্যৱহাৰ, যান-বাহন চলাচল।

জেনেৰেটৰ চলোৱা আৰু ড্ৰিলিং মেচিন চলোৱা আদিৰ পৰা এই অঞ্চলৰ বায়ুত যথেষ্ট প্ৰভাৱ পৰিব যেনে এইবোৰৰ পৰা ওলোৱা NOx, SOx, CO আদিবোৰ বায়ুৰ গুণাগুণৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। প্ৰাকৃতিক গেছ জ্বলোৱাৰ ফলত NOx উৎপাদন বায়ুত প্ৰভাৱ পেলাব।

প্ৰসমন ব্যৱস্থা

* খোলা আৰু সহজতে গুৰি হব পৰা নিৰ্মান সামগ্ৰী কঢ়িওৱা সকলোবোৰ বাহন freeboard সীমাতকৈ অধিক কঢ়িওৱা নহয় আৰু সামগ্ৰী বোৰ ঢাকি অনা হব।

*খৰালি কালত ৰাস্তাৰ ধূলি কমাই ৰখাৰ বাবে পানী চটিওৱাৰ ব্যৱস্থা কৰা হব।

*যন্ত্ৰপাতি আৰু যান-বাহন বোৰত প্ৰদূষণ নিয়ন্ত্ৰণ কৰা যন্ত্ৰ লগোৱা থাকিব।

শব্দৰ ওপৰত প্ৰভাৱ

প্ৰকল্প ক্ষেত্ৰত থকা যন্ত্ৰপাতি, যান-বাহন, জেনেৰেটৰ, ৰাস্তা নিৰ্মাণত ব্যৱহাৰ হোৱা যন্ত্ৰপাতি, পুং খন্দাৰ বাবে ব্যৱহাৰ হোৱা ড্ৰিলিং ৰিগ আদিৰ পৰা হোৱা শব্দই শব্দ প্ৰদূষণ ঘটাব পাৰে।

প্ৰসমন ব্যৱস্থা

*নিয়মীয়া ভাবে যান-বাহন আৰু যন্ত্ৰপাতিৰ মেৰামতিৰ ব্যৱস্থা কৰা হব।

*প্ৰকল্পত জড়িত বনোৱা সকলক ইয়াৰ প্লাগ আৰু মাফ ইত্যাদিৰ দৰে ব্যক্তিগত সুৰক্ষাৰ আহিলা ব্যৱহাৰ কৰিবলৈ ব্যৱস্থা কৰি দিয়া হব।

মাটিৰ গুণাগুণৰ ওপৰত প্ৰভাৱ

অসমৰ এই অঞ্চলৰ মাটিৰ প্ৰকৃতি বালিওহিয়া বা পলসুৱা হোৱাৰ বাবে ইয়াত উৎপাদন অধিক হয়। পুংৰ কাষৰ মাটিডোখৰৰ ওপৰৰ ভাগ আতৰাই দিয়াৰ ফলত ইয়াৰ উৰ্বৰতা শক্তি হ্ৰাস পাব। ইন্ধন আদিৰ ব্যৱহাৰ আৰু সঞ্চয়, ড্ৰিলিং আদিয়ে মাটিৰ গুণাগুণৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাব। যদিহে বাণিজ্যিক ভাবে পুংবোৰৰ পৰা হাইড্ৰকাৰ্বন আহৰণ কৰা নহয় তেন্তে পুংবোৰ পুতি পেলোৱাৰ সময়ত ঠাইডোখৰ আগৰ অৱস্থালৈ নিয়াৰ ব্যৱস্থা কৰা হব।

প্ৰসমন ব্যৱস্থা

*পুং বোৰ পোতাৰ সময়ত যথেষ্ট মাটি দি ঠাইডোখৰ আগৰ অৱস্থালৈ অনাৰ ব্যৱস্থা কৰা হব।

*ব্যৱহৃত পানী যাতে কৃষিভূমিলৈ যাব নোৱাৰে তাক ধ্যান ৰখা হব।

*ৰাসায়নিক দ্ৰব্যবোৰ যেন কোনোফালে বৈ নাযায় তাক ধ্যান ৰখা হব।

ভূ- অবয়ব আৰু নলাবোৰৰ ওপৰত প্ৰভাৱ

প্ৰকল্প স্থানত ব্যৱহৃত মাটি আদি জমাহে তাৰ প্ৰাকৃতিক নল ব্যৱস্থাত প্ৰভাৱ পেলাব পাৰে। ৰাস্তাৰ কাম কাজৰ ফলত তাত পানী জমা হোৱাৰ সম্ভাৱনা থাকে। পুংৰ পাৰ ওখ কৰাৰ ফলত তাৰপৰা বৈ অহা পানীয়ে অবয়বৰ পৰিৱৰ্তন ঘটাব পাৰে।

প্ৰসমন ব্যৱস্থা

*ঠাইবোৰৰ যাতে বিশেষ কোনো পৰিৱৰ্তন নহয় তাক ধ্যান ৰখা হব।

*সৰু-সুৰা নলাবোৰ বন্ধ হলে তাৰ ঠাইত ভালদৰে নলা নিৰ্মান কৰি দিয়া হব।

*সৰু-সুৰা নলাবোৰ যাতে ক্ষতিগ্ৰস্ত নহয় তাৰ ধ্যান ৰখা হব।

পানী আৰু জলীয় ভূ-তত্ত্বৰ ওপৰত প্ৰভাৱ

ড্ৰিলিং কাৰ্যত ব্যৱহাৰ কৰা পানী, ৰাসায়নিক দ্ৰব্য, তৈল সামগ্ৰী আদি বোৱতী পানীৰ লগত বৈ গৈ ওচৰৰ বিল, পুখুৰী আদিৰ পানীৰ লগত মিহলি হব পাৰে।

প্ৰসমন ব্যৱস্থা

*নলাবোৰ আৰু তৈল বা ৰাসায়নিক দ্ৰব্য সংৰক্ষণ কৰা ঠাইবোৰ ভালদৰে নিৰ্মান কৰিব লাগিব।

*ব্যৱহৃত পানীবোৰ পৰিবেশ আৰু বন মন্ত্ৰালয়ে আৰু SPCD/CPCD এ ধাৰ্য কৰি দিয়া মানদণ্ডৰ ওপৰত ধ্যান ৰাখি ব্যৱহৃত পানীবোৰ মুকলি কৰাৰ ব্যৱস্থা হাতত লোৱা হব।

*সকলোবোৰ তৈল সংৰক্ষণ আৰু ৰাসায়নিক দ্ৰব্য সংৰক্ষণ কৰা ঠাইবোৰৰ পৰা যাতে কোনোধৰণৰ দ্ৰব্য বোৱতীপানীৰ লগত বৈ নলা নৰ্দমাত নপৰে তাৰ ধ্যান ৰখা হব।

জৈৱিক পৰিবেশৰ ওপৰত প্ৰভাৱ

পুংৰ ওচৰৰ পৰিবেশ তন্ত্ৰত বিশেষকৈ প্ৰভাৱ পৰিব আৰু পুংৰ পৰা যিমাব আতৰি যাব পৰিভাব সিমানে কমি আহিব। পুংৰ আশেপাশে যিমান পাৰি গছ গছনি কম কটাৰ চেষ্টা কৰা হব। ঘন বননীৰ পৰা আতৰি থকাৰ চেষ্টা কৰা হব। যদি কোনো পুং সফল নহয় তেন্তে সেইবোৰ আগৰ অৱস্থালৈ লৈ যোৱাৰ চেষ্টা কৰা হব।

প্ৰসমন ব্যৱস্থা

স্থান প্ৰস্তুত কৰণৰ সময়ত যিমান সম্ভৱ কম গছ গছনি কটা হব।

অৰ্থসামাজিক দিশত প্ৰভাৱ

প্ৰকল্পৰ বাবে যিমানদূৰ সম্ভৱ কম ঠাই ব্যৱহাৰৰ চেষ্টা কৰা হব। মাটিডোখৰ কম সময়ৰ কাৰণে ভাৰাত লোৱা হব। মাটিডোখৰ প্ৰথমতে ৩ ৰ পৰা ৫ বছৰৰ কাৰণে ভাৰাত লোৱা হব আৰু যদি প্ৰয়োজন হয় তেন্তে মাটিডৰা প্ৰকল্প চলা সময়লৈকে দীৰ্ঘদিনৰ বাবে ভাৰাত লৈ লোৱা হব। মাটি যদি কোন ব্যক্তিৰ হয় তেন্তে ইয়াক চৰকাৰী ভাবে অধিগ্ৰহণ কৰা হব আৰু মাটিৰ মালিকৰ ইয়াৰ উচিত মূল্য দিয়া হব স্থানীয় মানুহক জীৱীকাৰ ব্যৱস্থা ভেদান্ত লিমিটেডডে কৰি দিব।

প্ৰকল্পৰ অধীনত এয়াই ওচৰৰ মানুহবোৰক প্ৰত্যক্ষ বা পৰোক্ষ ভাবে কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰি দিব আৰু তেওঁ লোকৰ অৰ্থনৈতিক অৱস্থা সুচল কৰাৰ ব্যৱস্থা কৰিব।

প্ৰসমন ব্যৱস্থা

নিৰ্মান কাৰ্য/প্ৰকল্পৰ স্থান নিৰ্মানে কৰ্ম সংস্থাপনৰ সৃষ্টি কৰিব।

সাম্ভাব্য বিপদৰ মূল্যায়ন

AA-ONHP-2017/14 ব্লকৰ খনন কাৰ্যৰ সময়ত হবপৰা ডাঙৰ বিপদৰ ক্ৰমাগত বিশ্লেষণ দিবলৈ ইতিমধ্যে সাংখ্যিক বিপদৰ মূল্যায়ন কৰা হৈছে। খনন স্থলীত তেল চিটিকি অহা, পুংৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱা, নলী ফুটা হোৱা আদিবোৰে ডাঙৰ বিপদ আনিব পাৰে।

বিপদ প্ৰসমন ব্যৱস্থা

*বৈ অহা বা চিটিকি অহা তেলৰ পৰা ৰখা পাবলৈ বা তাক আয়ত্বত ৰাখিবলৈ প্ৰয়োজনীয় সক্ৰিয় বেৰ দিয়া হব।

*সাপ্তাহিক ভাবে blowout ড্ৰিল বোৰৰ BOPৰ নিৰ্ভৰযোগ্যতা পৰীক্ষা কৰিবলৈ লৈ যোৱা হব আৰু ড্ৰিল গোট সদায় সক্ৰিয় থাকিব।

*ড্ৰিলিং কাৰ্য্য কাষৰ পৰা চোৱাচিতা কৰি বৰ্দ্ধিত চাপ আৰু গেছৰ গঠন আদি নিৰীক্ষণ কৰা হব।

*যদি কোনো ড্ৰিলিং মেচিন কিবা কাৰণত বেয়া হৈ যায় বা বন্ধ হৈ যায় তেতিয়া তৎক্ষণাত তাক বন্ধ কৰিব লাগিব।

*পুং খান্দোতে ড্ৰিলিং যাতে মাজত হয় আৰু পুংৰ বেৰবোৰত যাতে কোনো ক্ষতি সাধন নহয় তাৰ ধ্যান ৰাখিব লাগিব।

পৰিবেশ নিয়ন্ত্ৰণ আৰু চোৱাচিতা

ভেদান্ত লিমিটেডডে এই প্ৰকল্পৰ বাবে এটা হেলথ চফেটি আৰু এনভাইৰণমেণ্ট নীতি প্ৰস্তত কৰি উলিয়াইছে। এই নীতিৰ মতে প্ৰকল্পত জড়িত সকলো মানুহৰ স্বাস্থ্য আৰু সাৱধানতাৰ দায়িত্ব ভেদান্ত লিমিটেডডে লৈছে। ভেদান্ত লিমিটেডডে সকলোধৰণৰ স্বাস্থ্য, সাৱধানতা, পৰিবেশৰ আইন আদি আগত ৰাখি কাম কৰি যাব।

প্ৰকল্পটোৰ কাৰণে এক বিশেষ মণিটৰিঙ প্লেন তৈয়াৰ কৰা হৈছে। প্লেনটোত মাটিৰ গুণাগুণ, শব্দৰ পৰিমাণ, পানীৰ গুণাগুণ আদি নিৰীক্ষণ কৰা হব আৰু সকলোবোৰ পৰীক্ষা নিৰীক্ষা MoEF&CC/NABL/SPCBৰ অধীনত লগলাগি কৰা হব।

প্ৰস্থাবিত CER কৌশল

পৰিবেশ আৰু বন মন্ত্ৰালয়ৰ ১ম মে ২০১৮ তাৰিখে স্বাক্ষৰিত হোৱা F.No- 22-65/2017-IA-III মেমোৰেনডামৰ কৰ্পৰেট এনভাইৰণমেনটেল দায়িত্ব বোৰ পূৰণ কৰা হব।

প্ৰকল্পৰ খৰছ

AA-ONHP ব্লকৰ প্ৰস্থাবিত প্ৰকল্পৰ অনুমানিক খৰছ প্ৰায় ৫৬০ কোটি।